মহাভাৰত বনপৰ্ব্বৰ

অন্তৰ্গত

কিৰাত-পৰ্ব্ব ভাৰত।

DISTRICT LIBRARY
(HL... A COLLECTION)
TEZPUR

-০:০:-

৺ কংসাৰি দেব দ্বাৰা ভণিত।

শ্ৰী যোগেশ্বৰ শৰ্ম্মা প'ষ্ট মাষ্টৰ

আৰু

শ্ৰী দেবেশ্বৰ শৰ্ম্মা বড়ঠাকুৰ দ্বাৰা

প্ৰকাশিত।

২ য় সংস্কৰণ।

GOVERNMENT OF ASSAM
No. ....
DISTRICT LIBRARY.

কলিকাতা।

৭ নং মেছুয়াবাজাৰ ষ্ট্ৰীট, এম, এ, প্ৰেসে,

শ্ৰীযতীন্দ্ৰমোহন কৰ দ্বাৰা মুদ্ৰিত।

শকাব্দ ১৮[illegible] [illegible]

পাতনি।

—০:০—

নিচেই পুৰণী সাঁচি পটীয়া অৰ্থাৎ ১২৮০ শকত লিখা পুথি এখনীৰ পৰা নকল কৰি, চাপা কৰাইছো। বৰ্ণাশুদ্ধি যিমান দূৰ পৰা যায় কৰা হল। ইতি

জাঞ্জি পোঃ,
১৯০৯। } শ্ৰীদেবেশ্বৰ শৰ্ম্মা বড় ঠাকুৰ।

PLEASE HANDLE THE BOOK CAREFULLY.

শ্ৰীশ্ৰীহৰি

কিৰাত পৰ্ব্ব ভাৰত

চতুৰ্ম্মুখ মুখাম্ভোজ সম্পুটিক নিবাসিনীম ।
নিত্যপ্ৰগলভ বাচাল মুখস্থিতে সৰস্বতীম

জয় জয় জগন্নাথ তিলক শ্ৰীহৰি ।
বধিলা অসুৰ তুমি ভাৰ অৱতৰি ॥
সাধিলা দেৱৰ কাৰ্য্য তুমি সি দৈত্যাৰি ।
নমো নাৰায়ণ জয় জগদীশ হৰি ॥
জয় জয় নমো দেৱি কালিকা গোসানী ।
ভকত জনৰ ভৱ ভয় বিনাশিনী ॥

DISTRICT LIBRARY
(HEM BARUA COLLECTION)

সহস্রেক বাৰ দেৱী কৰো নমস্কাৰ।
সুপ্রসন্ন হুয়ো মাতৃ ৰচিবো পয়াৰ॥
ভাৰতৰ কথা যিটো শুনে নিতে নিতে।
যমে বোলে দূত তাৰ নজাইবি সন্নিতে॥
মোৰ অপৰাধি নোহে নাই পাপ তাৰ।
চতুৰ্ভুজ ৰূপে চলে বৈকুণ্ঠ যে পুৰ॥
জয়তি পাণ্ডবগণ ভৈলা শুদ্ধ গুণে।
ইন্দ্ৰত যে দিব্য অস্ত্র শিখিলা অৰ্জ্জুনে॥
বধিলা অসুৰগণ বৈৰী জগতৰ।
ভনিলেক বিপ্রে পদ অৰণ্য পৰ্ব্বৰ॥
জন্মিজয় বদতি বৈশম্পায়ণ ঋষিত।
শুনিলো কৃষ্ণৰ কথা সক্ষাতে অমৃত॥
যেন মতে পাণ্ডব যে আছন্ত বনত।
ইন্দ্ৰত অৰ্জ্জুনে অস্ত্র শিখিলা স্বৰ্গত॥
কেন মতে শঙ্কৰক যুদ্ধত তুষিলা।
পাশুপত অস্ত্র হৰে কেন মতে দিলা॥
কত কাল মান থাকি ইন্দ্ৰৰ পুৰীত।
কোন কোন কৰ্ম্ম আৰু কৰিলা তহিত।
ধৰ্ম্ম ভীম অৰ্জ্জুন নকুল সহদেব।
কেন মতে একস্থান ভৈলন্ত পাণ্ডব॥

এহি কথা শুনিতে হৰিষ ভৈলা বৰ।
যেন চন্দ্ৰ মধুপানে লুবুধ চকোৰ ॥
বৈশম্পায়ণ বদতি জন্মিজয়ৰ আগত।
কহো কথা অৰ্জ্জুনৰ শুনিও সমস্ত ॥
যেন মতে শঙ্কৰক যুদ্ধত তুষিলা।
যেন মতে দিব্য অস্ত্ৰ স্বৰ্গত শিখিলা ॥
অনন্তৰে পাণ্ডবে যে কাম্যক বনত।
সৰস্বতী নদী তীৰে দুহানো মধ্যত ॥
একদিনা সত্যব্ৰত যুত ধৰ্ম্মৰাজ।
অৰ্জ্জুনক মাতি গোপ্যে বুলিলন্ত কাজ ॥
শুনা বাপু ধনঞ্জয় আলোচি বেকতে।
ব্যাস মহামুণি আসি বুলিলা সমস্তে ॥
দুষ্ট দোৰ্য্যোধন শুনা শকুনি সহিতে।
কৰ্ণ দুঃশাসন সমে আলোচয় নিতে ॥
তেৰয় বৎসৰ সাঙ্গ ভৈলে দুৰাচাৰ।
সুখে ৰাজ্য কদাচিতো নেদিবে আমাৰ ॥
ধৃতৰাষ্ট্ৰ তাত তাৰ নুবুজিবা চিত্ত।
হৃদয়ত বিষ ঘট মুখত অমৃত ॥
আমাক নিকালি ছলে পাঠাইলেক বন।
সেহি ধনে জনে বৰ ভৈলা দোৰ্য্যোধন ॥

ধন ধান্য গ্ৰাম ভূমি যেহি লাগে যাক ।
দিয়া থৈয়া বশ্য কৰে সকলো প্ৰজাক ॥
খুড়া মোমা জেঠা যত ভাৰত বংশৰ ।
ধন লোভে বশ্য ভৈল সবে কৌৰবৰ ॥
আমিও দৰিদ্ৰ ভৈলো ৰাজ্যভাৰ এড়ি ।
বিধিয়ে কপালে লিখিলেক দুঃখি কৰি ॥
ভূৰিশ্ৰৱা ভগদত্ত বাহ্লিক প্ৰভৃতি ।
বিদুৰ খড়াত বাজে সবে তাৰ ভিতি ॥
সবে মিলি আলোচ কৰয় নিৰন্তৰ ।
নিদিবেক ৰাজ্য ঘোৰ মিলিবে সমৰ ॥
তেহ্ৰয় বংসৰ মানে সাঙ্গ ভৈলে কাজ ।
আমিও নেড়িব সুখে আপোনাৰ ৰাজ ॥
কুৰু পাণ্ডৱ যুদ্ধ মিলিবে ডাঙ্গৰ ।
হৈবেক ভাৰত যুদ্ধ প্ৰজা ক্ষয়ঙ্কাৰ ॥
দিবাক যি জনে পাৰে তাৰ ৰজে দণ্ডি ।
শ্ৰীমন্তৰ ভিতি বলৱন্ত উগ্ৰচণ্ডী ॥
নিৰ্দ্দয়ী জনক কোনে কৈত শোধে তাক ।
ধন লোভে তাৰ হুৱা বুঝিবে আমাক ॥
ভীষ্ম গুৰু দ্ৰোণ কৰ্ণ কৃপ দুঃশাসন ।
একেকে জিনিবে পাৰে তিনিও ভুবন ॥

সবে মহাৰথী অতিশয় বুদ্ধিমন্ত।
অতি কায় অতি বীৰ অতি বলবন্ত ॥
ইন্দ্ৰ যম বায়ু সম সবে ধনূৰ্দ্ধৰ।
দিব্য অস্ত্ৰ জানে সবে সকলো দেবৰ ॥
দেবাসুৰ নাগ যক্ষ দৈত্য দানবক।
ব্ৰহ্ম অস্ত্ৰে সংহৰিবে পাৰে জগতক ॥
সবাতো অধিক দেখো কৰ্ণ শকুনিক।
কোপীত কালান্ত যেন কালদগ্ধ বিষ ॥
পৰ্ব্বতকো ভেদে তাৰ একো শৰ ঘাৱে।
সপোনতো ভয় মোৰ লাগে তাৰ নাৱে ॥
কৌৰবৰ হুয়া জানা প্ৰাণ উছৰ্গিব।
অগনি[illegible] [illegible]ম্প দিয়া আমাক যুঝিব ॥
আমাৰ বিপক্ষ আনো ৰাজাগণ যত।
সুশৰ্ম্মা মাগধ জয়দ্ৰথ ভগদত্ত ॥
সবেও যুঝিবে আসি কৌৰবৰ হুই।
তাৰা সব শৰে এবে আমি সব মুই ॥
তুই সে প্ৰকাৰে আৰে হোৱে পৰিচ্ছেদ।
ব্যাসে কহিলন্ত মোত সবে তত্ত্ব ভেদ ॥
আমাৰ সহাই সবে তোমাত গৰব।
ইন্দ্ৰত গৰব যেন দেবগণ সব ॥

যেন মতে হও দুঃখ সাগৰৰ পাৰ ।
আমি ভৱা নাৱ বাপ তুমি সে কাণ্ডাৰ ॥
উপায়েক বোলো বাপু শুনা মোৰ বাক ।
আপনাকে দৃঢ় মানি নিছিন্তি নাথাক ॥
এহি বনবাসে আপোনাৰ কাৰ্য্য সাধা ।
উত্তৰ দিশক গৈয়া ইন্দ্ৰক আৰাধা ॥
ইন্দ্ৰ তুষ্ট ভৈলে তুষ্ট হোৱে দেৱলোক ।
দিব্য অস্ত্ৰ আছে যানে সবে দিবে তোক ॥
এতেক কাৰ্য্যক বাপু হেলা নকৰস ।
তবে কৰ্ণ শকুনিক জিনিবে পাৰস ॥
ব্যাসে দিলা যোগমন্ত্ৰ শুনা কহো তাক ।
এহি শুভক্ষণে বাপু চলিও স্বৰ্গক ॥
তোমাৰ প্ৰসাদে তৰো দুৰ্গতি সাগৰ ।
থাকোক সুকীৰ্ত্তি যাৱে চন্দ্ৰ দিবাকৰ ॥
ধৰ্ম্মৰ বচন হেন শুনি সব্য সাচি ।
খানিতেক দিনবিনি অধোমুখে আছি ॥
উৰ্দ্ধমুখ কৰি পাছে চাহিলা আকাশ ।
কৌৰৱক চিন্তি পাছে ত্যজিলা নিশ্বাস ॥
প্ৰণামি বোলন্ত দদা চলিলোহো হেৰ ।
যথাত আছন্ত দেৱ ঈশান কুবেৰ ॥

এহি বুলি লৈলা হাতে ধনু টোন বাণ।
স্বস্তিকাদি বাক্য পাচে বুলিলা ব্ৰাহ্মণ॥
ভনিলা কংসাৰিপদ এড়া আনকাম।
পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম॥

———০:—*—:০———

অগ্নিক প্ৰণাম, কৰিয়া অৰ্জ্জুন,
প্ৰদক্ষিণ সাত বাৰ।
ধৌম্য পুৰোহিত, সহিতে বিপ্ৰক,
কৰিলন্ত নমস্কাৰ॥
ধৰ্ম্ম ভীম দুইকো, চৰণে নমিয়া,
আশ্বাসিয়া দ্ৰৌপদীক।
মাদ্ৰীসুত দুইকো, বচনে সাদৰি,
চলি গৈলা উত্তৰক॥
দ্ৰৌপদী অশেষ, মঙ্গল কৰিলা,
দ্বিজগণে আশ্বাসিলা।
আকাশত দেৱে, দুন্দুভি বজাইলা,
দিব্য পুষ্প বৰষিলা॥
পাৰত সমস্ত, চড়াইলা অৰ্জ্জুন,
হাতত ধনু গাণ্ডীৱ।

পিঠিৰ ওপৰে, অক্ষয় দুই টোন,
জপি যাও সদাশিব ॥
ছাড়িলা বিস্তৰ, পৰ্ব্বত কন্দৰ,
নদী নদ অপৰ্য্যন্ত ।
মনুস্যৰ তাত, সমাগম নাই,
ধৰিলা নিৰ্জ্জন পন্থ ॥
শাল তাল বেল, সৰল পিয়াল,
খৰ্জ্জুৰ কনক চম্পা ।
অমাৰি গমাৰি, ডিমৰু পাকৰি,
সেফালিকা ৰাজ চম্পা ॥
দুৰ্গম গহন, বৃক্ষলতাগণ,
অসংখ্যাত বেত বাঁস ।
দিবা ৰাত্রি সন্ধ্যা, একোকে নজানি,
ৰবিৰ নাহি প্ৰকাশ ॥
হাতত গাণ্ডীৱ, একেশ্বৰে যান্ত,
হিমবন্ত গীৰি ঠাই ।
সিংহ ব্যাঘ্র দৈত্য, ৰাক্ষস পিশাচ,
দূৰতে দেখি পলাই ॥

———:o:———

অনেক দিনর বাট চাড়ি দুর্গপন্থ।
একদিনে পাইলা গৈয়া রাজা হিমবন্ত॥
নানা ধাতু রত্নে গীরি করে জাতিস্কার।
যাহান্তে যোজন হবে অনেক হাজার॥
নানা রত্নে কান্তি চন্দ্র সূর্য্যর জেউতি।
জলৈ মহৌষধিগণ নাহি দিন রাতি॥
তথা হন্তে গঙ্গাদেবী পবন্ত তহিত।
তীর্থরাজ ব্রহ্মপুত্র বহন্ত লোহিত॥
আনো অসংখ্যাত গন্ত বহে নদী নদ।
দেব দিব্য দীঘি সব তাত বিদগদ॥
বিচিত্র কন্দর সব বসে সম্ভ্রম্ভ।
নানাপক্ষী নাগগণ মৃগ সুশোভিত॥
যূথে যূথে হস্তীসবে চরে রাত্রি দিনে।
সিংহ সরভ ব্যাঘ্র বরাহ হরিণে॥
ভালুক বানর সব মহিষর পাল।
চামরীয়া পশু চলে অসংখ্যাত পাল॥
জাকে জাকে কৃষ্ণসাঁর দেখিতে অসংখ্য।
পালে পালে শশা গান্ধ গড় লক্ষ লক্ষ॥
হেমন্ত পর্ব্বত যত গীরিত প্রধান।
সিধা মুনি গন্ধর্ব্ব যে দেবতার স্থান॥

মন্দৰ শিখৰ তাত আতি মনোৰম।
সন্নিহিতে গঙ্গা বহে বিচিত্র উত্তম॥
নানাবিধ তৰুলতা ফল ফুল বন।
বাৰমাসে পাই তাত যাৰ যিবা মন॥
তাক এড়ি অৰ্জ্জুনে যে যাহান্তে আছন্ত।
ৰহ ৰহ আকাশি বচন শুনিলন্ত॥
সচকিতে দশোদিশে চাহান্তে অৰ্জ্জুনে।
কৈত কিবা ৰহ ৰহ বুলিলন্ত কোনে॥
নিৰ্জ্জন বনত গম্য নাই মনুষ্যৰ।
কি হেবা মাতিলে দেব যক্ষ নিশাচৰ॥
এহি বুলি আগ পাচ চাহন্তে পৰ্ব্বতে।
দেখিলা ব্রাহ্মণ গুটি অশ্বত্থ মূলতে॥
অৰ্জ্জুনক চাহি হাসি বুলিলা ব্রাহ্মণে।
কোথা হন্তে কিসক ফুৰাহা বনে বনে॥
তপসীৰ বেশ দেখো লগে ধনুঃশৰ।
অনুমানে বুজু তুমি ৰাজাৰ কোঁঅৰ॥
যদি তপ কৰা ধনুশৰে কিবা কাজ।
যদি যুদ্ধখোজস যুদ্ধৰ নোহে বাজ॥
মহাত্মাঋষিগণ আত সবে সাধুবৰ্গ।
আতে থাকি তপ কৰি সাধে সাতো স্বৰ্গ॥

আমাৰ বচন শুনা এৰা ধনুঃশৰ।
যিবা মনোবাঞ্চা তুমি লোৱা সেহি বৰ ॥
অৰ্জ্জুনে বোলন্ত গুৰু প্ৰণামো চৰণ।
সাক্ষাততে বিষ্ণু তুমি পবিত্ৰ ব্ৰাহ্মণ ॥
বচনে সপিবে পাৰা দিবে পাৰাধন।
শুনিওক যি কাৰণে ধৰো ধনুৰ্ব্বাণ ॥
হও ক্ষত্ৰ জাতি আমি স্বভাবে দাৰুণ।
পাণ্ডুৰ তনয় মোক বোলয় অৰ্জ্জুন ॥
বিস্তৰ কথাক কিবা কহিবো বিশেষ।
যদি বৰ দিবা মোক দিয়া উপদেশ ॥
যেন মতে ইন্দ্ৰ হন্তে দিব্য অস্ত্ৰ পাও।
কহিও উপায় গুৰু আৰাধিবে চাও ॥
ব্ৰাহ্মণে বোলন্ত বাপু শুনা ধনঞ্জয়।
মই ইন্দ্ৰ আসি আছো জানিবা নিশ্চয় ॥
দিও বৰ লোৱা মনে বাঞ্চা কৰা যাক।
অৰ্জ্জুনে বোলন্ত অস্ত্ৰ দিওক আমাক ॥
ইন্দ্ৰে বুলিলন্ত বাপু অস্ত্ৰে কি কৰিবা।
অকাৰণে মহাঘোৰ যুদ্ধক লভিবা ॥
আগে যুদ্ধ কৰি মহাদুঃখে লৈবা ৰাজ।
পাচে যজ্ঞ কৰি স্বৰ্গ পাইবা এহি কাজ ॥

প্রাণী হিংসা যুদ্ধকর্ম্ম নিন্দে সাধুবর্গ।
নলাগয় অস্ত্র আহা এহি মতে স্বর্গ ॥

———:0:———

অর্জ্জুনে বোলন্ত মোক নালাগে নালাগে স্বর্গ
স্বর্গত বা করিবোহো কিস।
ধৃতরাষ্ট্র নৃপতির শত পুত্র জীবে যানে
অমৃত মোহোর মনে বিস ॥
দোর্য্যোধন রাজা এত সুখে রাজ্য ভুঞ্জিবেক
সুখে কর্ণ জীবেক শকুনি।
চারি ভাইক এড়ি যেবে একলে স্বর্গক যাও
লোকে মোক কি বুলিবে শুনি ॥
আজি কালি করি তথা বাট চাই থাকিবেক
দিন রাব গণি গিতে নিত।
অস্ত্রশিখি নজাও যেবে বনত মরিবে ভেবে
মোহোর হিয়ে শোকাগ্নিত ॥
কৌরবর শতভাই সমস্ত এক ঠাই
যাবে পিণ্ড দেদো শকুনির।
আছোক স্বর্গক এড়ি ইন্দ্র পদ নলাগয়
কর্ণর নাকাটো যেবে শির ॥

ইন্দ্রে বুলিলন্ত বাপ এৰা মহা হৃদিতাপ
পৰীক্ষা কৰিলো কথা শুন।
উপায়েক বোলো কৰ, সকল পাতক হৰ,
শঙ্কৰক আৰাধা অৰ্জ্জুন॥
তোক আসি ত্রিলোচনে তুষ্ট হুয়া তেতিক্ষণে
দেখা দিবে জগত ঈশান।
শুদ্ধ হুই স্বৰ্গে যাইবা দিব্য অস্ত্র তথা পাইবা
এহি বুলি ভৈলা অন্তৰ্দ্ধান॥
অৰ্জ্জুনে তহিতে ৰই গঙ্গাৰ তিৰক গই
অশ্বত্থ বৃক্ষৰ মূলে চাপি।
ভিণ্ডী একপাতি সম উপৰত ব্যাঘ্র চৰ্ম্ম
মৃত্তিকা শঙ্কৰ তাতে থাপি॥
পূজাৰ সম্ভাৰ যত বিছাবিলা পৰ্ব্বতত
ফল মূল বেল দূৰ্ব্বাপাত।
হাইঠা ভগৰা ভেৰা কণক ধুতুৰা এৰা
শঙ্কৰৰ প্রীতি যা'ত যা'ত॥
নিবাড় অৰণ্যে বসি এক মনে ধ্যান কৰি
পূজন্ত জপন্ত শিব নাম।
কৰি কৰি মন্ত্রপঢ়ি প্রণমিয়া পড়ি পড়ি
দণ্ডবতে কৰন্ত প্রণাম॥

ক্ষণে উঠি গীত গান্ত মুখে ডিব ডিব বা'ন্ত
হাসন্ত ভূতেও চিবাই বুলি ।
অনেক ভকতি ভাৱে ধুলায়ে ধুসৰ গাৱে
নাচন্ত দুহাতে তুলি তুলি ।

এহি মতে পাণ্ডু তনয় অৰ্জ্জুন
হবক আবাধি তাত ।
কৰিলা তথাত ব্ৰত ষড় ৰাত্ৰ
পাৰণ লেখা নপাও ॥
পক্ষ উপবাস ব্ৰতক আচৰি
ভৈল কত দিন মান ।
ষোড়শ দিনত পাৰণ কৰন্ত
গণ্ডুষেক জলপান ॥
পাচে কতো কাল আছিলা অৰ্জ্জুন
পূৰ্ণ মাস উপবাসে ।
বায়ু ভক্ষী ব্ৰত পাৰণা কৰন্ত
স্বৰ্গক যাইবাৰ আশে ॥
অনন্তৰে তপ কৰন্ত অৰ্জ্জুন
উৰ্দ্ধ কৰি বাহু দুই ।

শুণি আছো দূৰাছাৰ কৰস গঞ্জাৰ।
সেহি দোষে আজি তোৰ মুচৰিবো ঘাঁৰ॥
মাথাৰ ওপৰে তোৰ যম কাল নাচে।
মোৰ ঘোৰ অস্ত্রে ঠাই কৰি বধো পাছে॥
কিৰাত বদতি তই মৰিতে বাঞ্চস।
শৰহনা বৰাহক খেদিয়া মাৰস॥
হাক দিলো তপসী মাৰস গৰ্ব্ব কৰি।
বৰাহৰ লগে তোক কৰিবো.অন্তৰী॥
হাসিলি তপসী খৰীয়া দেখি মোক।
আসে যদি ইন্দ্র তাতো ৰাখে কোনে তোক
খৰীয়া কিৰাতৰ আজি বুজা কেনে বল।
জীবাক খোজস যদি পশু এড়ি চল॥
অৰ্জ্জুনে বোলন্ত থাক ইতৰ কছাৰি।
নষ্ট দুষ্ট পাপীষ্ট অধম গৰ্ব্বকাৰী॥
তোক লাগি ইন্দ্র দেবে আসিবন্ত সাজি।
মোৰ আগে কেন মতে পশু নিবি আজি॥
বনৰ বানৰ সমে থাকস ওছৰে।
সাপ বেঙ্গ খাই জীয় পৰ্ব্বত গহ্বৰে॥
উদৰ মূখত যেন কৰ্পূৰৰ বাস।
ফেঞ্চা কি জানস ৰাজহংসৰ বিলাস॥

নিষ্কিঞ্চ টিপচী গৰুড়ক দেই ধাৰ ।
সাম্ভৰীয়া চাগে সাগৰৰ হোৱে পাৰ ॥
বাসুকি সৰ্পৰ-হাতে ভাঙ্গিলস দান্ত ।
কোপীত সিংহৰ গাৱে বিচাৰস আন্ত ॥
কালে তোক গ্ৰাসিলেক গৰল বিষ খাস ।
অগ্নিত পতঙ্গ যেন মৰিবাক চাস ॥
গাণ্ডীব ধনুক মোৰ নতু পাস যোৰ ।
যমৰ থানত পাট মেলিচিল তোৰ ॥
এহি বুলি ধনুখান কৰিলা টঙ্কাৰ ।
কিৰাতে বোলন্ত বল বুজু আজি তোৰ ॥
দেখন্তে তপসী জণ্টা বাঘ চাল গা'ত ।
সেঙ্খৰে নেড়িবো মই ভূঁটীয়া কিৰাত ॥
থাকি এহি পৰ্ব্বতত শাক আলু খাও ।
খৰৰ খজতি আজি কিছু পলুৱাও ॥
গৰ্ব্বীত বচন হেন শুনি কিৰাতৰ ।
ধনুত অৰ্জ্জুনে আনি যোড়ে পাঞ্চে শৰ ॥
মাৰস তপসী তই তাহাকে সে চাওঁ ।
বিষ্টৰ দিবস ৰহিবাক নাহি পাওঁ ॥
লহ লহ জিহ্বা খান বৈৰী নিপাতক ।
মাৰিলা অৰ্জ্জুনে পাঞ্চশৰ কিৰাতক ॥

পদ বৃদ্ধাঙ্গুষ্ঠ আগে যে ৰহিয়া
থাকিলন্ত ভূমি চুই ॥
শীত বাত বৃষ্টি সহি অবিশ্রান্ত
দুঃখ বড় আসৰীষে ।
মাথাত পিঙ্গটা ভৈল পঙ্গ জটা
ধূম্র বৰ্ণ দেহা ক্লেশে ॥
নিয়ম যতনে কায় বাক্য মনে
নাশা চক্ষু দান্ত কৰ্ণ ।
কেবলে হৰত একচিত্তে আতি
লাগিলা মনে ধিয়ান ॥
মুখৰ অগণি ঝাকে বাহিৰাই
দশো দিশ ধূম্র ময় ।
অৰ্জ্জুনৰ হেন তপক দেখিয়া
দেবগণ ভৈলা ভয় ॥
ইন্দ্ৰ চন্দ্ৰ সূৰ্য্য নৈঋতি পবন
কুবেৰ যম বৰুণ ।
সবে বোলে জানো মোৰ পদ কাঢ়ি
লৈবাক খোজে অৰ্জ্জুন ॥
কৌতূকে আছন্ত জগত ঈশান
পাৰ্ব্বতী দেবী সহিত ।

আগত নাৰদ দিব্য বিনা বাই
গাৱন্ত কৃষ্ণ চৰিত।
দেব ঋষিগণ যতেক দেখিলা
কেহো নুবুজিলা আশ।
সবে আলোচিয়া কৈলাস গিৰীক
গৈলা শঙ্কৰৰ পাশ॥
ভয়ে দেব গণ চাপৰি চাপৰি
প্ৰণামিলা জানু শীৰ।
কৰ যোড়ে সবে শঙ্কৰ গোঁসাইৰ
আগত দিলে গোহৰ॥
অৰ্জ্জুনৰ উগ্ৰ তপক দেখিয়া
সবে ভৈলা মহাভয়।
নাজানো তোমাত কিবৰ সাধয়
পাণ্ডুপুত্ৰ ধনঞ্জয়॥
আগে যিবা আছে জানয় সকলে
পৃথিবীৰ ৰাজা তাত।
আৰু কোন কাৰ্য্য সাধিবাক প্ৰতি
আছৰে তপস্যা ব্ৰত॥
কিবা ইন্দ্ৰপদ কাড়ি লৈবে খোজে
দেবতাৰ অধিকাৰ।

আপুনি মহেশ জানিয়া অশেষ
প্ৰভু কৰা প্ৰতিকাৰ॥

দেৱতাৰ হেন বাণি শুণি ৰঙ্গে শূলপানী
হাসি হাসি বুলিলা দেৱক।
আক আমি জানোভালে দেৱতাৰ অধিকাৰ
নলৈবেক নলৈব স্বৰ্গক॥
তুমি সবে দেৱগণ নুবুজিলা তাৰ মন
যি কাৰণে কৰে উগ্ৰতপ।
কাৰ্য্যক নপাইলা শুধি হক ৱাইলা শ্ৰুতি বুধি
লেজুক দেখিয়া বোলা সাপ॥
অৰ্জ্জুনৰ কাৰ্য্য সবে আজি মই সাধো গই
তোমা সব যোৱা নিজস্থান।
এহি বুলি দড় দড়ি বৃষভ বাহনে চড়ি
চলি গৈলা জগত ঈশান॥
লগত পাৰ্ব্বতী দেবী অৰ্জ্জুনক চাও বুলি
চৌষষ্টি যোগিনী লৈয়া সঙ্গ।
চলি গৈলা হৰগৌৰী বৃষভ বাহনে চড়ি
অতিশয় কৰি মহাৰঙ্গ॥

এক দুই তিন হাত কাৰো ভৰি পাঞ্চ সাত
দীৰ্ঘজঙ্ঘা উৰু দুই চুটি।
কাৰো কাণ এক খান কঙ্কুল খানৰ মান
ভূমি চুই লড়ি যাই লুটি॥
কত ৰোম গৈয়া চড়ি গুলৈ পেট যুকণ্ডিয়া
হীয়া দেহা ছত্ৰ নালপ্ৰাই।
কাৰো দুইহাত খণ্ড উৰ সৰা নালী গণ্ড
কবন্ধ আকাৰ সীমা নাই।
পলাই পশু পক্ষীগণ চাড়িয়া বিবৰ বন
অদভূত দেখি বিপৰীত।
পৰ্ব্বতৰ নদী নদ দড়ে সব নিশবদ
কাংসপৰি যেন গৈল জীম॥

বৈশম্পায়ণ নিগদতি শুণা জন্মিজয়।
পলাই পশুপক্ষীগণ শঙ্কৰক ভয়॥
নন্দী ভৃঙ্গী আদি কৰি সকলো সেনাক।
বিদূৰতে শঙ্কৰে বোলয় থাক থাক॥
মনে আলছিলা মই একেশ্বৰে যাও।
অৰ্জ্জুনৰ বলবীৰ্য্য জিজ্ঞাসিয়া চাও॥

মোহোৰ মায়াত যদি হৈবে পাৰে স্থীৰ।
তেবে সে খণ্ডাবে সিটো ভাৰ পৃথিবীৰ॥
এহি বুলি বৃষভ যানৰ নামি হৰ।
কিৰাতৰ বেশ ধৰি গৈলা একেশ্বৰ॥
হেন দেখি পতিব্রতা দেৱী ভগবতী।
সেহি ৰূপ ধৰি লগে চলিলা পাৰ্ব্বতী॥
চৌষষ্ঠি যোগিনীগণ লড়িলা লগত।
কিৰাতৰ নাৰী যেন সবে সেহি মত॥
হাতে ধনু শঙ্কৰ পিঠিত শৰ টোন।
পশিলা যিস্থানে তপ কৰন্ত অৰ্জ্জুন॥
চাপ চুপ দ্বণ্ড খানি পাতো বুলি চলে।
ৰাৰাহেক পাঠাইলা আগত মায়া বলে॥
খুলন্তৰ চাৰি খুৰা উৰু জঙ্ঘা চুটি।
ভয়ঙ্কৰ পেট তাৰ ভূমি যাই লুটি॥
উল্লসিলা লোমগণ সিঁহৰিলা গাৰ।
অৰ্জ্জুনৰ আগে গৈলা পৰ্ব্বত আকাৰ॥
অৰ্জ্জুনে বোলন্ত দেখি জানিলো আভাস।
ৰাৰাহ নোহয় ইটো মায়াবী ৰাক্ষস॥
একেশ্বৰ দেখিয়া খাইবাক খোজ মোক।
শৰ হানি পাপীষ্ঠক পেশো যম লোক॥

এহি বুলি হাতে তুলি লৈলা ধনুঃশৰ।
গুণত যুড়িলা আনি সৰ্প মুখ শৰ॥
কিৰাতে তহাঁতে আসি পাইলে ধনু ধৰি।
সৰ্প সম শৰ যুড়ি তাক লক্ষ কৰি॥
অৰ্জ্জুনেও মাৰে শৰ লক্ষ কৰি তাক।
ডাক দিয়া কিৰাতে দূৰতে দিলেক হাক॥
কিৰাতৰ হাক ডাক অবহেলি মনে।
বাবাহক এক শৰ মাৰিলা অৰ্জ্জুনে॥
কিৰাতে মাৰিলা এক শৰ সেহি বেগে।
দুইৰো শৰ বৰাহত পৰে একে লগে॥
নিৰ্ঘাত সবদ ঘোৰ ভৈলা বিপৰীত।
মায়াৰী বৰাহ মৰি পৰিলা ভূমিত॥
পাচতে অৰ্জ্জুনে পাইলা কিৰাতক ভেট।
দুই চক্ষু ঢেলা তাৰ গুলৈ হেন পেট॥
উল্লসিল দুই ওষ্ঠ নাক মুষ্টি কৰ।
তাম্ৰ শলা যেন গোঁফ আঠ দশ চুৰ॥
বিপৰীত মুখ যেন কুবিল খগৰা।
পিঠিত হাথীয়া থৰ আঙ্গলেক চৰা॥
ঘাঁৰ কুঁজা পিঠি মেচা হাঁয়া খান খাল।
আক্কোৰালি দুই হাতে নপাৱে কঙ্কাল॥

বেগেতেক বাঘ চাল টনা তিনি যোড়া।
মেহ্রাইবাক নাটে আনি লগাই আছে তৰা॥
টঙ্গণা টঙ্গণ আঠু গাঠি হাত পাৰ।
দেখি অৰ্জ্জুনৰ ঘিনে সিঁহৰিলা গাৰ॥
নাৰীগণ পাঞ্চ সাত লগত চলন্ত।
কাণে মুণ্ডে গুঞ্জামণি উলুকা হাতত॥
পীঙ্গলা নয়ন মাথে ঠিয় ঠিয় জটা।
কটিত মেখলা গাৱে বাঘ চাল ফটা॥
পীন স্তন উৰু জঙ্ঘা স্থূল দেহ গোৰা।
পিঠিত সবাৰো আছে শাক লোৰা কুৰা॥
কিৰাতৰ নাৰী যেন সবে সেহি বন্ধে॥
ফুটি যাই নাক কান গাৱৰ দূৰ্গন্ধে॥
হাসি হাসি কিৰাতক পুছিলা অৰ্জ্জুনে।
কোথা হন্তে কোন তুমি ফুৰা বনে বনে॥
নাৰীগণ সঙ্গে দেখো তুমি একেশ্বৰ।
সিংহে ব্যাঘ্ৰে খাইবে পাৰে ৰাক্ষসতো ডৰ॥
কিৰাতে বোলন্ত বাক ইকথা থাকোক।
পৰ্ব্বত নিবাসি আমি সবে নৰা লোক॥
ত পুৰুষৰ এহি নিজ গাঁও।
থাকি পহু মাৰি আলু পানি খাও॥

যতেক কিৰাত তাৰ মই অধিকাৰী ।
জগত দেখস মানে মোৰ পটেশ্বৰী ॥
কোথেৰ তপসী অৰে পাপিষ্ঠ অধৰ্ম্ম ।
কপটে জঁটীয়া মিচা গাৱে ব্যাঘ্র ছৰ্ম্ম ॥
শৰ হনা বাৰাহক খেদি আনো মই ।
কিয় মোৰ বৰাহক মাৰ কৈৰ তই ॥
হাক দিলো তপসীয়া নুশুনিলি হাক ।
মৰিবাক খেদি দণ্ড কৰ যমৰাইক ॥
অৰ্জ্জুনে মনত কোপে চক্ষু পকাই চান্ত ।
কছাৰি গোটেও মোক ইসত চিবান্ত ॥
ঘিনে বান্তি আসে তোৰ গাৱৰ গন্ধত ।
আন কিছু নাহি জানো তোহোৰ মহত ॥
যথা নজানয় তথা নথাকি ক্ষণেক ।
ধিক ধিক বিদেশক আসিলো কিশক ॥
ইতৰৰ আশাৰেক সহীবো আছোক ।
দিবো সেকা আক যদি কিছু বোলে মোক
সম্বোধি বোলন্ত ঐৰ বৰ্ব্বৰ কিৰাত ।
এতেক গৰ্ব্বক তই কৰস কাহত ॥
মোৰ বৰাহক আগে আছ শৰ কৰি
কিশক মাৰস তই পাপীষ্ঠ কছাৰি ।